(১) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive or Synchronic Linguistics) ঃ বৰ্ণনাত্মক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ কোনো এক নিৰ্দিষ্ট সময়ৰ কথিত ৰূপৰ যথাযথ বৰ্ণনাৰে ভাষাবৈজ্ঞানিক আলোচনা দাঙি ধৰা হয়। ইয়াত ভাষাটোৰ বিভিন্ন ঐতিহাসিক পৰিৱৰ্তনৰ বিষয়ে দাঙি ধৰা নহয়। অৰ্থাৎ ভাষাটোৰ পূৰ্বৰূপ কি আছিল বা কি কি পৰিৱৰ্তনৰ মাজেৰে আহি ভাষাটোৱে আজিৰ ৰূপ পাইছেহি সেই সম্পৰ্কে কোনো আলোচনা কৰা নহয়। সাধাৰণতে তেওঁলোকে সময়ক স্থিতিশীল বুলি ভাবি ভাষাটোৰ ৰূপটোক অধ্যয়ন কৰাত গুৰুত্ব দিয়ে। কোনো এটা নিৰ্দিষ্ট সময়ৰ ভাষাৰ উপাদান যেনে ঃ ধ্বনি, ৰূপ, বাক্য ইত্যাদিৰ বিচাৰ বিশ্লেষণ আদি বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ মূল বিষয়। অৰ্থাৎ বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কোনো এক বিশেষ সময়ৰ শৃংখলাবদ্ধ অধ্যয়নক বুজায়। আধুনিক ভাষাবিজ্ঞানৰ পিতৃ চুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে (১৮৫৭-১৯১৩) ভাষাবিজ্ঞান বিষয়ত কিছুমান তাত্ত্বিক চিন্তাধাৰাৰ কথা প্ৰকট কৰিছিল। তাৰ ভিতৰত অন্যতম এটা হ'ল এককালিক আৰু কালক্ৰমিক ধাৰা (Synchronic and Diachronic) । চচ্যুৰ সূচনা কৰা গ্ৰীক ভাষাৰ Synchronic শব্দটোৰ Synchronic শব্দটোৰ 'Syn' Prefix টোৱে Together, With বা লগত আৰু Chronos > time বা কাল বুজায়। অৰ্থাৎ যি কোনো কালৰ লগত জড়িত সিয়ে 'ছিনক্ৰনিক' বা এককালিক'। 'ছিনক্ৰনিক' শব্দৰ প্ৰতিশব্দ ৰূপে 'সমকালিক' বা 'সমকালীন' ও প্ৰয়োগ কৰা হয়। চচ্যুৰৰ 'ছিনক্ৰনিক' ভাষাবিজ্ঞানকেই *'বৰ্ণনাত্মক ভাষাবিজ্ঞান'* বুলি কোৱা হয়। সাধাৰণতে বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষাৰ কথিত ৰূপটোৰ গাঁথনিক দিশটোৰ অধ্যয়নত গুৰুত্ব দিয়া হয়। ভাষাৰ গাঁথনিক দিশটোৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ বাবে বৰ্ণনাত্মক ভাষাবিজ্ঞানক গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistics) বুলিও অভিহিত কৰা হয়।

ভাষাবিজ্ঞানী চচ্যুৰে ঐতিহাসিক ভাষাবিজ্ঞানৰ বিপৰীতে এককালিক ভাষাৰ গঠন বৰ্ণনাত অধিক গুৰুত্ব আৰোপ কৰে। একোটা ভাষাৰ অন্তৰ্গত উপৰূপসমূহ অৰ্থাৎ উপভাষাসমূহৰ অধ্যয়নো বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ ভিতৰুৱা। ভাষাবিজ্ঞানৰ ইতিহাসত বৰ্ণনাত্মক পদ্ধতিৰে বিশ্লেষণ আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাও তাকৰ নহয়। অসমীয়া ভাষাত তেনে ধৰণৰ গ্ৰন্থ কেইখনমান হ'ল, উপেন্দ্ৰনাথ গোস্বামীৰ 'A Study in Kamrupi: A Dialect of Assam', প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ 'A Descriptive Analysis of the Bodo Language' ইত্যাদি।

২) ঐতিহাসিক ভাষাবিজ্ঞান (Historical or diachronic Linguistics) ঃ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ Diachronic চিন্তাধাৰাকেই 'কালক্ৰমিক' বা ঐতিহাসিক ভাষাবিজ্ঞান নামেৰে অভিহিত কৰা হয়। গ্ৰীক শব্দ 'Dia' (Prefix বা উপসৰ্গ) ই through, across অৰ্থাৎ মাজেদি বা অতিক্ৰম কৰা আৰু chronos > Chronic, time বা কাল অৰ্থাৎ যি কালৰ মাজেদি আহে, কাল অতিক্ৰম কৰি আহে বা বিভিন্ন কালৰ ধাৰা অনুসৰণ কৰে সিয়ে 'ডায়াক্ৰনিক'। ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ পৰিবৰ্ত্তন বা ক্ৰমবিৱৰ্তনৰ ধাৰাটোৰ ওপৰত বিশ্লেষণ আগবঢ়োৱা হয়। বিশ্বৰ প্ৰতিটো ভাষাৰেই জন্মৰ এক দীঘলীয়া ইতিহাস আছে। সময়ৰ

সোঁতত ভাষাই বিভিন্ন জনৰ মুখ বাগৰি আহোতে যথেষ্ট পৰিবৰ্তন সাধিত হয়। যিহেতু ভাষাটোৰ এনে পৰিবৰ্তন একেদিনাই সম্পন্ন নহয়, সেয়ে ভাষাটোৰ বিস্তৃত কালৰ অধ্যয়নৰ ফলতেহে ভাষাটোত ঘটা পৰিৱৰ্তনৰ কথা দৃষ্টিগোচৰ হ'ব। ভাষাৰ পূৰ্বৰ উৎস সম্পৰ্কীয় তথা তাৰ ক্ৰমপৰিৱৰ্তনৰ সকলো বিষয় ঐতিহাসিক ভাষাবিজ্ঞানৰ ভিতৰুৱা। উল্লেখ্য যে, ঐতিহাসিক ভাষাবিজ্ঞানে লিখিত ভাষাক প্ৰামাণ্য উপপাদ্য হিচাপে লৈ বিশ্লেষণ কৰে। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৰে ঐতিহাসিক ভাষাবিজ্ঞানটো ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যবিন্যাস তত্ত্ব, অৰ্থতত্ত্ব আদি বিভিন্ন স্তৰৰ আলোচনা থাকে। অৱশ্যে ঐতিহাসিক ভাষাবিজ্ঞানত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৰে উক্ত বিভাগসমূহৰ প্ৰত্যেকৰে সমান গুৰুত্ব নাথাকে। ইয়াত ধ্বনিতত্ত্বৰ আলোচনাত ভাষাটোৰ লিখিত ৰূপক ভিত্তি হিচাপে লৈ আগবঢ়া হয়। সেয়েহে বহু সময়ত ঐতিহাসিক ভাষাবিজ্ঞানে কল্পনাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ঐতিহাসিক ভাষাবিজ্ঞানত অৰ্থতাত্ত্বিক আলোচনা অত্যন্ত আন্তৰিকতাৰে আগবঢ়োৱা হয়। কোনো শব্দৰ পুৰণি অৰ্থ, বিভিন্ন পৰিবৰ্তনত শব্দৰ অৰ্থৰ তাৰতম্য ইত্যাদি আলোচনাৰ লগতে পুৰণি আৰু শুদ্ধ ৰূপটো নিৰ্ধাৰণৰ বাবে ব্যৱস্থা লোৱা হয়। যুগৰ পৰিবৰ্তনৰ লগে লগে ভাষা এটাৰ অন্তৰ্গত শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন হৈ পৰে। কেতিয়াবা মূল অৰ্থৰ পৰা আতৰি বিপৰীত অৰ্থ নতুবা অন্য অৰ্থহে প্ৰকাশ কৰে। উদাহৰণ স্বৰূপে, সংস্কৃত 'ধুৰন্ধৰ' শব্দটোৱে শ্ৰেষ্ঠ, পাকৈত, কাৰ্যদক্ষ বুজায় । হিন্দী ভাষাত এতিয়াও ধুৰন্ধৰ মানে শ্ৰেষ্ঠ অৰ্থকে বহন কৰি আহিছে। যেনে, 'ধুৰন্ধৰ বল্লেবাজ শচীন তেণ্ডুলকাৰ' ইত্যাদি। কিন্তু অসমীয়াত সেই ধুৰন্ধৰ শব্দটোৱে 'বদমাচ', 'উৎপতীয়া' ইত্যাদি অৰ্থহে প্ৰকাশ কৰে। ঠিক একেদৰে সংস্কৃত 'মৃগ' বা 'মৃগয়া' শব্দটোৱে পূৰ্বতে চিকাৰ কৰিবলৈ যাওঁতে ৰজাসকলে বনত পোৱা সকলো ধৰণৰ জীৱ-জন্তুকে বুজোৱা হৈছিল; কিন্তু পৰৱৰ্তী সময়ত সেই অৰ্থ সংকোচিত হৈ 'মৃগ' বা 'মৃগয়া' শব্দই কেৱল হৰিণ বা হৰিণা চিকাৰ কৰাৰ কথাহে বুজোৱা হ'ল। ইংৰাজী ভাষাৰ 'Meat' শব্দটোৱে প্ৰথম যিকোনো ধৰণৰ খাদ্যকেই বুজাইছিল। কিন্তু পিছলৈ 'Meat' শব্দই কেবল মাংসকহে বুজোৱা হ'ল। ভাষাৰ এনেবোৰ পৰিবৰ্তনৰ বিষয়েও ঐতিহাসিক ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ আৰু সময়োপযোগী আলোচনা আগবঢ়ায়। ঐতিহাসিক ভাষাবিজ্ঞান সম্পৰ্কীয় কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল বাণীকান্ত কাকতিৰ 'Assamese : Its Formation and Development' (অসমীয়া ভাষাৰ গঠন আৰু বিকাশ), সুনীতি কুমাৰ চেতাৰ্জীৰ The Origin and Development of the Bengali Language ইত্যাদি।

৩) **তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics) ঃ** সমগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ ঐতিহাসিক বিশ্লেষণৰ মাজেৰে পৰস্পৰ সম্পৰ্ক দেখুৱাতো তুলনামূলক ভাষাবিজ্ঞানত আলোচনা কৰা হয়। প্ৰকৃততে তুলনামূলক ভাষাবিজ্ঞানত আলোচ্য ভাষাকেইটা যে একেটা মূলৰ পৰাই উৎপন্ন সেই কথাই সৰ্বশেষত প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰা হয়। বৰ্ণনাত্মক আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ লেখিয়াকৈ তুলনামূলক ভাষাবিজ্ঞানতো আলোচিত ভাষাকেইটাৰ ধ্বনিগত, ৰূপগত, বাক্যগত, অৰ্থগত আদি দিশৰ আলোচনা কৰা হয়। তুলনামূলক ভাষাবিজ্ঞানে

ঐতিহাসিক ভাষাবিজ্ঞানৰ গাত আওজিয়েই আগবাঢ়িব পাৰে। ভাষা এটাৰ সময়ৰ সোঁতত হোৱা পৰিবৰ্তন আৰু ভাষাটোৰ পূৰ্বৰ ৰূপ নিৰ্ধাৰণত তুলনামূলক ভাষাবিজ্ঞানে সহায় কৰে। সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষা যে একেটা মূলৰ তাৰ প্ৰমাণ তুলনামূলক ভাষাবিজ্ঞানৰ যোগেদিয়েই প্ৰমাণিত হৈছে। পৃথিৱীৰ সৰ্ববৃহৎ ভাষাপৰিয়াল ইণ্ডো ইউৰোপীয়ৰ অন্তৰ্গত বিভিন্ন ভাষাসমূহ ইংৰাজী, জাৰ্মানীয়, ইটালীয়, ফৰাচী, লেটিন ইত্যাদি ভাষাৰ অধ্যয়নো তুলনামূলক ভাষাবিজ্ঞানৰ যোগেদিয়েই সম্ভৱ হৈ উঠিছে। তুলনামূলক ভাষাবিজ্ঞানৰ অবিহনে একে জাতীয় এনে ভাষাবোৰৰ মূল ৰূপ নিৰ্ণয় কৰাটো অসম্ভৱ। তুলনামূলক ভাষাবিজ্ঞানীসকলে একে জাতীয় ভাষাসমূহৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব , বাক্যতত্ত্ব, অৰ্থতত্ত্ব ইত্যাদিবোৰৰ পৃথক পৃথক তালিকা প্ৰস্তুত কৰি ভাষাকেইটাৰ মাজৰ সম্পৰ্ক সুনিশ্চিত কৰা দেখা যায়। তুলনামূলক ভাষাবিজ্ঞান সম্পৰ্কীয় কেইখনমান গ্ৰন্থ হ'ল R.Caldwell ৰ 'A Comparative Grammar of the Dravidian Language', J. Beames ৰ 'Comparative Grammar of Modern Aryan Language' ইত্যাদি।

**ভেদাত্মক ভাষাবিজ্ঞান (Conrtarstive Linguistics ) ঃ** তুলনামূলক ভাষাবিজ্ঞানৰ এটি নতুন শাখা হৈছে ভেদাত্মক ভাষাবিজ্ঞান। দুটা সমগোত্ৰীয় বা বিষম গোত্ৰীয় ভাষাৰ বৰ্ণনাত্মক বিশ্লেষণৰ দ্বাৰা যি তুলনা দাঙি ধৰা হয় তাকেই ভেদাত্মক ভাষাবিজ্ঞান বোলে। ইয়াত আলোচিত ভাষাকেইটাৰ কোনোটোৱেই ঐতিহাসিক দৃষ্টিভংগীৰে আলোচনা কৰা নহয়। তুলনামূলক ভাষাবিজ্ঞানত সদায় সমগোত্ৰীয় ভাষাসমূহৰহে আলোচনা কৰা হয়; কিন্তু ভেদাত্মক ভাষাবিজ্ঞানত যিকোনো দুটা বা ততোধিক ভাষাৰ মাজৰ বিশ্লেষণ হ'ব পাৰে। আকৌ তুলনামূলক ভাষাবিজ্ঞানত আলোচনাৰ সৰ্বশেষত ভাষাকেইটি যে একে মূলৰেই তাক প্ৰমাণ কৰি দেখুওৱা হয়। অন্যহাতে ভেদাত্মক ভাষাবিজ্ঞানত দুটা ভাষাৰ মাজৰ ভেদখিনিহে স্পষ্ট কৰি দাঙি দেখুওৱা হয়। তুলনামূলক ভাষাবিজ্ঞান আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ মাজৰ অন্য এটা পাৰ্থক্য হ'ল তুলনামূলক ভাষাবিজ্ঞানে সদায় লিখিত সমলৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ প্ৰস্তুত কৰে, কিন্তু ভেদাত্মক ভাষাবিজ্ঞানে কথিত ভাষাকহে নিজৰ প্ৰামাণিক তথ্য হিচাপে গ্ৰহণ কৰে।